# Macroeconomics

## সমষ্টিবাদী অৰ্থবিজ্ঞান

## Chapter -3 : Money and Banking

## অধ্যায় - 3 : মুদ্ৰা আৰু বেংক ব্যৱস্থা

**Q. Define Money.**

**Ans.** Money is that which is accepted by all as a medium of exchange, measure of value, store of value and standard of deferred payment.

**প্ৰশ্ন:** মুদ্ৰাৰ সংজ্ঞা দিয়া।

**উত্তৰ:** মুদ্ৰা হৈছে সেয়া যাক বিনিময়ৰ মাধ্যম, মূল্যৰ জোখ, মূল্যৰ ভঁৰাল আৰু স্থগিত দেনা-পাওনাৰ মান হিচাপে অৰ্থনীতিত সকলোৱে গ্ৰহণ কৰে।

**Q. What is Barter System?**

**Ans.** Barter system refers to an exchange system in which goods and services are exchanged directly for other goods and services without using a medium of exchange such as money.

**প্ৰশ্ন:** পণ্য বা দ্ৰব্য বিনিময় প্ৰথা কি?

**উত্তৰ:** মুদ্ৰাৰ অবিহনে এজন ব্যক্তিৰ দ্ৰব্য বা সেৱা আন এজন ব্যক্তিৰ দ্ৰব্য বা সেৱাৰ লগত বিনিময় কৰা প্ৰথাকে পণ্য বা দ্ৰব্য বিনিময় প্ৰথা বোলে। অৰ্থাৎ, মুদ্ৰা অবিহনে সংঘটিত অৰ্থনৈতিক বিনিময় ব্যৱস্থাকে পণ্য বিনিময় প্ৰথা বোলে।

Q. what are the difficulties involved in the Barter system ?

প্ৰশ্ন: দ্ৰব্য বিনিময় প্ৰথাৰ অসুবিধাবোৰ কি কি ?

Ans. The difficulties ~~of~~ involved in the Barter system are —

1. Lack of double Coincidence of wants:
Barter system can work only when both buyer and seller are ~~red~~ ready to exchange each other's goods. For example, A person A can exchange goods with B only when A has what B wants and person B has what A wants. However, such double coincidence is very rare.

2. Lack of common measure of value :-
In Barter system, all commodities are not of equal value and there is no common measure of value of goods and services. This is another drawback of Barter system.

3. Indivisibility of Certain goods:
The Barter system is based on the exchange of goods with other goods. But there are certain goods which can not be divided. In the absence of a common medium of exchange, a problem arises when

a big indivisible commodity is to be exchanged for a smaller commodity. This is one of the drawbacks of Barter system.

4. Lack of store of value:

Under Barter system, it is difficult to store wealth for future use. It is difficult to store wealth in the form of goods like cattle, wheat, potatoes etc. Holding of stocks of such goods involves costly storage and deterioration.

5. Lack of standard of deferred payment:-

Barter system lacks a standard of deferred payments. It creates problem in entering into contracts which involve future payments because of lack of any satisfactory unit. As a result, future payments are to be stated in terms of specific goods or services. But there could be disagreement about the quality of the good, specific type of good and change in the value of the good.

উ:- দ্ৰব্য বিনিময় প্ৰথাৰ প্ৰধান অসুবিধাসমূহ তলত আলোচনা কৰা হ'ল —

1) অভাৱৰ সামঞ্জস্যহীনতা :- দ্ৰব্য বিনিময় প্ৰথাৰ কৃতকাৰ্যতাৰ কাৰণে মানুহৰ অভাৱৰ সামঞ্জস্য থকাৰ দৰকাৰ। উদাহৰণস্বৰূপে, এজন কৃষকে যদি কাপোৰ বিচাৰে আৰু এগৰাকী শিপিনীয়ে যদি ধান বিচাৰে তেতিয়া তেওঁলোকৰ মাজত দ্ৰব্য বিনিময় হ'ব পাৰে। কিন্তু শিপিনীয়ে যদি ধান নিবিচাৰি অন্য দ্ৰব্য বিচাৰে তেতিয়া তেওঁলোকৰ মাজত দ্ৰব্য বিনিময় সম্ভৱ নহয়। জনসংখ্যা বৃদ্ধি আৰু অভাৱৰ পৰিমাণ বৃদ্ধিৰ ফলত অভাৱৰ সামঞ্জস্যতা বিচাৰি উলিওৱাটো কঠিন হৈ পৰিলে।

২) মূল্যৰ উপযুক্ত নিৰিখ নিৰ্ধাৰণৰ অসুবিধা :-
দ্ৰব্য বিনিময় প্ৰথাত দ্ৰব্যৰ মূল্যমান লৈ সমস্যাৰ সৃষ্টি হয়। সকলো বস্তুৰ মূল্য একে নহয়। গতিকে এটা দ্ৰব্যৰ কিমান পৰিমাণ দিলে আনটো দ্ৰব্যৰ কিমান পৰিমাণ পোৱা যাব সেইটো নিৰ্ধাৰণৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হয়।

৩) দ্ৰব্যৰ অবিভাজ্যতা :- কিছুমান দ্ৰব্যৰ অবিভাজ্যতাই পণ্য বিনিময়ত অসুবিধাৰ সৃষ্টি কৰে। মানুহৰ প্ৰয়োজনীয় এনে কিছুমান দ্ৰব্য আছে যিবোৰ ভাগ কৰি বিনিময় কৰাটো সম্ভৱ নহয়। এনে অবিভাজ্য বস্তুৰ সলনি বহুত সময়ত প্ৰয়োজনীয় ~~বস্তু~~ বস্তু পোৱা টান আৰু পালেও বিনিময়ত লোকচান হয়।

4) <u>সঞ্চিত মূল্যৰ ভঁৰাল হিচাপে পণ্য বিনিময় ব্যৱস্থাৰ বিফলতা</u> :-

দ্ৰব্য বিনিময় ব্যৱস্থাত ভৱিষ্যতেও সকলো দ্ৰব্য-সামগ্ৰীৰ বিনিময়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা দ্ৰব্যৰ অভাৱ হয়। দ্ৰব্য বিনিময় প্ৰথাত দ্ৰব্য-সামগ্ৰীক ~~দীৰ্ঘ~~ দীৰ্ঘস্থায়ীৰূপে সঞ্চয় কৰিব পৰা নাযায় আৰু দ্ৰব্যৰ মূল্য সুস্থিৰ হৈ নাথাকে। সঞ্চিত মূল্যৰ ভঁৰাল হিচাপে ব্যৱহাৰ কৰিব পৰা দ্ৰব্যৰ অভাৱৰ কাৰণেও দ্ৰব্য বিনিময় ব্যৱস্থাৰ বিলুপ্তি ঘটে।

5) <u>ভৱিষ্যতৰ লেন-দেন নিষ্পত্তিৰ ক্ষেত্ৰত দ্ৰব্য বিনিময় ব্যৱস্থাৰ বিফলতা</u> :-

দ্ৰব্য বিনিময় ব্যৱস্থা ভৱিষ্যতৰ লেন-দেন নিষ্পত্তিৰ অৰ্থে এক সচল ব্যৱস্থা নহয়, ঋণ দান আৰু ঋণ গ্ৰহণ এনে লেন-দেন কাৰ্যৰ অন্তৰ্ভুক্ত। দ্ৰব্য বিনিময় ব্যৱস্থাত দ্ৰব্য-সামগ্ৰীৰ মাধ্যমত যেতিয়া এনে কাৰ্য সম্পাদন হয়, তেতিয়া ঋণদাতা বা ঋণগ্ৰহণকাৰীৰ ভিতৰত কোনোবা এজনে লোকচান ভৰিবলগীয়া হয়।